**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 28-12-2025 **Time :** 0900Hrs.

## HEADLINES

১। ভূমিৰ অধিকাৰ সুদৃঢ় কৰা আৰু প্ৰশাসনীয় সংস্কাৰৰ বাবে ৰাজ্যিক মন্ত্ৰীসভাৰ কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত। ৪ খন জিলাত পথ উন্নীতকৰণৰ বাবে নাবাৰ্ডৰ ঋণত অনুমোদন।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসম আগমন। কাইলৈ বটদ্ৰৱা প্ৰকল্পৰ উদ্বোধন।

৩। অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ তালিকাৰ পৰা চৰকাৰী বেতনভোগী কৰ্মচাৰীৰ নাম কৰ্তনৰ বাবে বিত্ত বিভাগৰ নিৰ্দেশ।

৪। দিনৰ ১১ বজাত আকাশবাণীযোগে প্ৰধানমন্ত্ৰীৰ **মন কী বাত**।

**আৰু**

৫। তিৰুৱনন্তপুৰমত আজি ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মহিলা টি-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল।

oooooo

ৰাজ্যত ভূমিৰ অধিকাৰ সুদৃঢ় কৰা, প্ৰশাসনীয় সংস্কাৰৰ প্ৰক্ৰিয়া আগুৱাই নিয়া আৰু আন্তঃগাঁথনিৰ উন্নয়ন ত্বৰান্বিত কৰাৰ উদ্দেশ্যে ৰাজ্যিক মন্ত্ৰীসভাই কালি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। বৈঠকৰ অন্তত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই মন্ত্ৰীসভাৰ সিদ্ধান্তৰ বিষয়ে এইদৰে কয়—-

**বাইট (জয়ন্ত মল্লবৰুৱা)**

তেওঁ কয়, যে মন্ত্ৰীসভাই মুম্বাইৰ অসম ভৱনত কৰ্মৰত ৮ জন কৰ্মচাৰীক নিৰ্দিষ্ট দৰমহাৰ ঠিকাভিত্তিক কৰ্মচাৰী ৰূপে নিযুক্তি দিয়াৰ প্ৰস্তাৱতো অনুমোদন দিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে অসমৰ পৰা কৰ্কটকে ধৰি বিভিন্ন ৰোগৰ চিকিৎসাৰ বাবে মুম্বাইলৈ যোৱা লোকসকলক বিভিন্ন ধৰণে সহায় কৰা আৰু মুম্বাইৰ অসম ভৱনৰ কাম-কাজ পৰিচালনা কৰাত এইসকল লোকে সহায় কৰি আহিছিল যদিও এওঁলোক কৰ্মচাৰী নাছিল। সেয়েহে মন্ত্ৰীসভাই নিৰ্দিষ্ট দৰমহাৰ ঠিকাভিত্তিক কৰ্মচাৰী ৰূপে নিযুক্তি দিয়াৰ প্ৰস্তাৱত অনুমোদন জনাইছে। একেদৰে সোণাপুৰৰ আমেৰিগোগত তিৰুপতি তিৰুমালা দেৱস্থান নিৰ্মাণৰ বাবে কালি মন্ত্ৰীসভাই ১৩০ বিঘা একঠা দুলেচা মাটিৰ আৱণ্টনত অনুমোদন দিছে।

তেওঁ লগতে কয়, যে ডিব্ৰুগড়ৰ দিনজানত ২৯২ কোটি টকা ব্যয় সাপেক্ষে বণ্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠান নিৰ্মাণৰো সিদ্ধান্ত কালিৰ মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই আধুনিক প্ৰতিষ্ঠান বন্যপ্ৰাণী ৰোগ নিৰীক্ষণ, গৱেষণা, প্ৰশিক্ষণ আৰু সংৰক্ষণৰ দিশত গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গঢ় লৈ উঠিব আৰু ইয়াৰ জৰিয়তে ৰাজ্যৰ পৰিৱেশগত সুৰক্ষা অধিক শক্তিশালী হৈ উঠিব।

ooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। ভ্ৰমণকালত শ্ৰীশ্বাহে গুৱাহাটী আৰু বটদ্ৰবাত কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ কাইলৈ নগাঁও জিলাৰ বটদ্ৰৱাত অসম চৰকাৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ঐতিহাসিক বটদ্ৰৱা প্ৰকল্প উদ্বোধন কৰিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি তোলাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

গৃহমন্ত্ৰীগৰাকীৰ উপস্থিতিত বটদ্ৰবা প্ৰকল্প উদ্বোধনী অনুষ্ঠানৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ঐতিহ্যমণ্ডিত আকাশীগংগাৰ তীৰত নিৰ্মাণ কৰা বটদ্ৰবা সাংস্কৃতিক প্ৰকল্পথলীত উখল মাখল পৰিবেশৰ সৃষ্টি হৈছে। অঞ্চলটোৰ ৰাইজে গৃহমন্ত্ৰীগৰাকীক আদৰিবলৈ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। কালি জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকা আৰু নগাওঁ জিলা আযুক্তই প্ৰকল্পৰ চূড়ান্ত পৰ্যায়ৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰে। কাইলৈ অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত এয়া নগাঁৱৰ পৰা আমাৰ সংবাদদাতা মুনিন্দ্ৰ শইকীয়া-

ভইচ

গৃহমন্ত্ৰী শ্ৰী শ্বাহে কাইলৈ গুৱাহাটীৰ নতুন আৰক্ষী আয়ুক্তালয় আৰু খানাপাৰাত নৱ নিৰ্মিত জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। ৫ হাজাৰ খন আসনযুক্ত এই প্ৰেক্ষাগৃহ উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ বিয়লি ৪ বজাত আয়োজিত এটা অনুষ্ঠানত প্ৰেক্ষাগৃহটো উদ্বোধন কৰিব। এই প্ৰেক্ষাগৃহত সন্মিলন ভৱন, বহু খলপীয়া গাড়ী ৰখোৱা স্থান, উদ্যান, ফুডকোৰ্ট ইত্যাদি থাকিব। আনহাতে, আৰক্ষী আয়ুক্তালয়ৰ নৱনিৰ্মিত ৮ মহলীয়া ভৱনটো উন্নত প্ৰযুক্তিৰে সজ্জিত কৰা হৈছে। ইয়াত অন্যান্য সা-সুবিধাৰ লগতে গুৱাহাটী স্মাৰ্ট ছিটি প্ৰকল্পৰ জৰিয়তে নিৰ্মিত মহানগৰীৰ দুহেজাৰৰো অধিক চি চি টিভি নিৰীক্ষণৰে সমৃদ্ধ সংহত নিয়ন্ত্ৰণ আৰু নিৰ্দেশনা কেন্দ্ৰ থাকিব। ভৱনটোৰ চতুৰ্থ মহলাত থকা এই কেন্দ্ৰটো গৃহমন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কিছুদিন পূৰ্বে এই কেন্দ্ৰটো পৰিদৰ্শনৰ সময়ত প্ৰকাশ কৰা মতে, আয়ুক্তালয় উদ্বোধনৰ পাছতে শ্ৰীশ্বাহে নতুন ফৌজদাৰী আইন ৰূপায়ণৰ দিশত অসমে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আয়োজিত এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰিব। অসম আৰক্ষীয়ে এই ক্ষেত্ৰত লাভ কৰা সফলতাসমূহ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক অৱগত কৰোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে নতুন ফৌজদাৰী আইন ৰূপায়নৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰতে শীৰ্ষ স্থানত থকা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শেহতীয়া অসম ভ্ৰমণত সন্তুষ্টি প্ৰকাশ কৰিছিল।

০০০০০০

ৰাজ্য চৰকাৰে ৰাজহ ঘাটি জোৰা মৰাৰ উদ্দেশ্যে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ তালিকাৰ পৰা চৰকাৰী বেতনভোগী কৰ্মচাৰীৰ নাম কৰ্তনৰ নিৰ্দেশ দিছে। ৰাজ্য চৰকাৰৰ বিত্ত বিভাগে এটা নিৰ্দেশনাযোগে ৩১ ডিচেম্বৰৰ ভিতৰত অৰুণোদয় আঁচনিৰ মাহে বিত্তীয় অনুদান লাভ কৰা অহা সকলো ধৰণৰ চৰকাৰী নিয়মীয়া কৰ্মচাৰী, পেঞ্চনাৰ, ঠিকাভিত্তিক কৰ্মচাৰীৰ লগতে অংগনৱাড়ী কৰ্মী, মধ্যাহ্ন ভোজন কৰ্মী, আশাকৰ্মী, আশা পৰ্যবেক্ষক আৰু গাঁওবুঢ়াসকলৰ নাম কৰ্তন কৰিবলৈ কৈছে। ইয়াৰ উপৰি বিশ্ববিদ্যালয়-মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক, কনিষ্ঠ মহাবিদ্যালয়, হাইস্কুল, উচ্চ প্ৰাথমিক আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ঠিকাভিত্তিক তথা অস্থায়ী কৰ্মচাৰীৰ নামো অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ তালিকাৰ পৰা বাদ দিবলৈ কোৱা হৈছে। বিত্ত বিভাগৰ নিৰ্দেশনাটোত এনে চৰকাৰী বেতনভোগী কৰ্মচাৰী আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল পৰিয়ালৰ সদস্যসকলেও ৩১ ডিচেম্বৰৰ বাবে বাধ্যতামূলকভাৱে অৰুণোদয় আঁচনিৰ পৰা নাম কৰ্তন কৰিব লাগিব। অন্যথা সংশ্লিষ্ট কৰ্মচাৰীৰ বিৰুদ্ধে বিভাগীয় অনুশাসনমূলক ব্যৱস্থাৰ উপৰি হিতাধিকাৰী হিচাপে লাভ কৰা ধনৰাশি ঘূৰাই লোৱা হ'ব বুলি সকীয়াই দিয়া হৈছে। বিত্ত বিভাগৰ সচিব নৰছিং পাৱাৰে প্ৰতিটো বিভাগলৈ নিৰ্দেশনা জাৰি কৰি নিজ নিজ বিভাগৰ কৰ্মচাৰীসকলক বিষয়টো সম্পৰ্কে অৱগত কৰিবলৈ কৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৯ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট airnews আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

ৰাজ্যত কালি প্ৰকাশিত বিশেষ সংশোধিত খচৰা ভোটাৰ তালিকা অনুসৰি ১০ লাখ ৫৫ হাজাৰ ১৪০ জন ভোটাৰৰ নাম তালিকাত নতুনকৈ অন্তৰ্ভুক্ত হৈছে। আনহাতে ১০ লাখ ৫৬ হাজাৰ ২৯১জন ভোটাৰৰ নাম তালিকাৰ পৰা কৰ্তন কৰা হৈছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে এই সংশোধনী প্ৰক্ৰিয়াৰ জৰিয়তে ৰাজ্যৰ সৰ্বমুঠ ২ কোটি ৫২ লাখ দুহেজাৰ ৭৭৫ গৰাকী আৰু ডি-ভোটাৰ ৫৩ হাজাৰ ২১ জন। খচৰা তালিকা অনুসৰি ইতিমধ্যে মৃত্যু হোৱাৰ ৪ লাখ ৭৮ হাজাৰ ৯৯২ জন ভোটদাতাৰ নাম ভোটাৰ তালিকাৰ পৰা  কৰ্তন কৰা হৈছে। বাসস্থান সলনি কৰা ৫ লাখ ২৩ হাজাৰ ৬৬০ জন ভোটদাতাক চিনাক্ত কৰাৰ লগতে কেইবাটাও স্থানত নাম থকা ৫৩ হাজাৰ ৬১৯ জন ভোটদাতাক চিনাক্ত কৰা হৈছে।

এই তালিকা সন্দৰ্ভত ৰাইজে অহা ২২ জানুৱাৰী পৰ্যন্ত ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। ওজৰ-আপত্তি নিষ্পত্তিৰ বাবে ৩, ৪, ১০ আৰু ১১ জানুৱাৰীত বিশেষ শিবিৰ অনুষ্ঠিত হ'ব। ২ ফেব্ৰুৱাৰীৰ ভিতৰত এই ওজৰ-আপত্তিসমূহ নিষ্পত্তি কৰি ১০ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব।

কামৰূপ মহানগৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টি সামৰি কালি ফটোযুক্ত ভোটাৰ তালিকাৰ খচৰা প্ৰকাশ কৰা হয়। খচৰা তালিকা অনুসৰি কামৰূপ মহানগৰ জিলাত ১ দশমিক ৬-৩ শতাংশ ভোটদাতা বৃদ্ধি হোৱাৰ লগতে ১০৫টা অতিৰিক্ত ভোটগ্ৰহণ কেন্দ্ৰ সংযোজনৰ কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। **ধেমাজি** জিলাত কালি তিনিটা বিধানসভা সমষ্টিৰ ভোটাৰ তালিকাৰ খচৰা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হয়।

**কাছাৰ** জিলাতো ৭টা বিধানসভা সমষ্টিৰ ভোটাৰ তালিকাৰ খচৰা কালি আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হয়। মাজুলী জিলাতো  খছৰা ভোটাৰ তালিকা প্ৰকাশ সন্দৰ্ভত জিলা আয়ুক্তৰ উপস্থিতিত এখন সভা অনুষ্ঠিত হয়। শিৱসাগৰ জিলাত ৩টা বিধানসভা সমষ্টিৰ ৫ লাখ ৭২ হাজাৰ ২১৯ গৰাকী ভোটদাতা সামৰি খছৰা তালিকা প্ৰকাশ কৰা হয়। একেদৰে ডিব্ৰুগড় জিলাত ২০২৬ বৰ্ষৰ ১ জানুৱাৰী ভিত্তিবৰ্ষ হিচাপে লৈ ১০ লাখ ৪৩ হাজাৰ ৬৭৯ গৰাকী ভোটদাতা সামৰি খছৰা তালিকা প্ৰকাশ কৰা হয়। কাৰ্বি আংলং জিলাৰ ডিফুৰ ৩ টা বিধানসভা সমষ্টিৰ বাবে ৫ লাখ ৪০ হাজাৰ ৮৮ গৰাকী ভোটদাতা সামৰি খছৰা তালিকা প্ৰকাশ কৰা হয়। শ্ৰীভূমি জিলাত প্ৰকাশ কৰা খছৰা তালিকা অনুসৰি ৯ লাখ ৭১ হাজাৰ ৯১৬ গৰাকী ভোটদাতা আছে। যোৰহাট জিলাৰ চাৰিটা বিধানসভা সমষ্টিৰ বাবে খছৰা তালিকা প্ৰকাশ কৰা হয়। এই তালিকা সন্দৰ্ভত জিলা আয়ুক্তই কালি এখন সংবাদমেল সম্বোধন কৰে। লখিমপুৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টি সামৰি কালি প্ৰকাশিত তালিকাত ৮ লাখ ৬৪ হাজাৰ ২গৰাকী ভোটদাতাক সন্নিৱিষ্ট কৰা হৈছে।

বাক্সা জিলাত ৪ লাখ ৮ হাজাৰ ৭৪৯ গৰাকী আৰু বঙাইগাওঁ জিলাত ৩টা সমষ্টিৰ বাবে ৫ লাখ ৮৩ হাজাৰ ১২৮ গৰাকী ভোটদাতাৰ নাম খছৰা তালিকাত সন্নিবিষ্ট কৰা হয়। গোৱালপাৰা জিলাত কালি প্ৰকাশিত তালিকা অনুসৰি ৮ লাখ ২ হাজাৰ ৪৪৩ গৰাকী ভোটদাতাক সামৰি লোৱা হৈছে

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতিৰ বিভাগৰ কালি নিশা প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত **অসমত প্ৰধানমন্ত্ৰী সূৰ্য্যঘৰ আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত** এটা আলোচনাত অসম শক্তি বিতৰণ কোম্পানীৰ উপ-প্ৰবন্ধক বৈশালী তালুকদাৰে আঁচনিখন সন্দৰ্ভত বহু তথ্য প্ৰকাশ কৰে। তেওঁ কয় যে জনসাধাৰণে ৰাজসাহায্যযুক্ত এই আঁচনিখনৰ সুবিধা লাভ কৰিবৰ বাবে অতি সৰল প্ৰক্ৰিয়াৰে আবেদন কৰিব পাৰে।

বাইট

এই আলোচনাটিৰ আঁত ধৰে জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

সমাগত বিধানসভা নিৰ্বাচনত অসম গণ পৰিষদ দলৰ সৈতে  মিত্ৰতা সন্দৰ্ভত বিজেপিয়ে ১৫ ফেব্ৰুৱাৰীৰ পাছতহে সিদ্ধান্ত গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৱা নিশা বাজপেয়ী ভৱনত অনুষ্ঠিত দলৰ কৰ্ণধাৰ সমিতিৰ বৈঠকৰ পাছত

এই কথা প্ৰকাশ কৰে। তেওঁ অগপৰ আসন পূৰ্বতকৈ বৃদ্ধি নহয় বুলিও ইঙ্গিত দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে ২০২১ চনৰ নিৰ্বাচনৰ ভিত্তিতে আসন বুজাবুজি হ'ব যদিও ১৫ ফেব্ৰুৱাৰীৰ আগত এই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা নাই। অৱশ্যে দলটোৰ সৈতে মিত্ৰতাৰে বিজেপিয়ে নিৰ্বাচন খেলিব বুলি তেওঁ স্পষ্ট কৰি দিয়ে। ইপিনে ইউপিপিএল আৰু বিপিএফৰ সৈতে মিত্ৰতা সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আগমনৰ পাছতহে চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

0000000

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ- চি বি এছ ইয়ে ফেব্ৰুৱাৰীত হ'বলগীয়া কেন্দ্ৰীয় শিক্ষক যোগ্যতা নিৰূপণকাৰী পৰীক্ষা চি-টেটৰ একবিংশ সংস্কৰণৰ বাবে অনলাইন আবেদন সম্পূৰ্ণ কৰিব নোৱাৰা প্ৰাৰ্থীসকলক সকাহ প্ৰদান কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে।  চি বি এছ ইয়ে জাৰি কৰা অধিসূচনা অনুসৰি এই পৰীক্ষাৰ বাবে যোৱা ২৭ নৱেম্বৰৰ পৰা ১৮ ডিচেম্বৰলৈ অনলাইন আবেদনৰ প্ৰক্ৰিয়া মুকলি আছিল যদিও সময়সীমা উকলি যোৱাৰ পাছত পৰিষদে প'ৰ্টেলৰ বিসংগতিৰ বাবে আবেদন সম্পূৰ্ণ কৰিব নোৱাৰা বুলি একাংশ শিক্ষাৰ্থীৰ পৰা অভিযোগ লাভ কৰিছিল। পৰিষদে বিষয়টো চালিজাৰি চাই পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ কৰা অথচ আবেদন প্ৰক্ৰিয়া সম্পূৰ্ণ নকৰা এক লাখ ৬১ হাজাৰৰো অধিক শিক্ষাৰ্থীক আবেদন সম্পূৰ্ণ কৰাৰ সুযোগ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে।

00000000

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মহিলা টি-টুৱেণ্টী ক্ৰিকেট  শৃংখলাৰ চতুৰ্থখন খেল আজি তিৰুৱনন্তপুৰমত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে সম্প্ৰতি ৩-০ ফলাফলেৰে এই পাঁচখনীয়া শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল অহা মঙলবাৰে এই একেটা স্থানতে অনুষ্ঠিত হ'ব।

0000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম আগমন, খছৰা তালিকাত কৰ্তন মৃত ভোটাৰৰ নাম, লোকসংস্কৃতিৰ সাধক ৰত্নেশ্বৰ মৰাণক প্ৰতিমা বৰুৱা পাণ্ডেৰ স্মাৰক বঁটা প্ৰদান আদি বাতৰিসমূহে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়বোৰ বাতৰিকাকতে স্থান লাভ কৰিছে।

ৰাজ্য চৰকাৰে পুনৰ এহেজাৰ কোটি টকাৰ ঋণ ল'ব। ইয়াকে ধৰি চলিত বৰ্ষত চৰকাৰে লোৱা ঋণৰ পৰিমাণ ১৭ হাজাৰ ২০০ কোটি হ'বগৈ। সবিশেষ তথ্যৰে এই বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰকাশ কৰিছে।

দুদিনীয়া ভ্ৰমণসূচীৰে আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ অসমলৈ আহিব। দৈনিক অসম, অসমীয়া প্ৰতিদিন, দৈনিক জনমভূমি, আদিকে ধৰি প্ৰায় সকলো কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

২৬ত বৃদ্ধি নহয় অগপৰ সমষ্টি। অহা ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত মিত্ৰতা চূড়ান্ত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে ২০২১ চনেই হ'ব বিজেপ আৰু অগপৰ মাজৰ আসন বুজাবুজিৰ ভিত্তি বৰ্ষ। দৈনিক জনমভূমি কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতত ৰাছিয়াই ইক্ৰেইনৰ কিভ আক্ৰমণ কৰাৰ আৰু দা চেণ্টিনেল কাকতত চি-টেটৰ পৰ্টেল পুনৰ মুকলি কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

দেশৰ নিৰ্বাচন আয়োগে কালি ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ ২০২৬ৰ খছৰা প্ৰকাশ কৰে। এই খছৰাত প্ৰায় ১০ লাখ লোকৰ নাম কৰ্তন কৰাৰ বিপৰীতে ১০ লাখ ৫৫ হাজাৰ ১৪০ জন ভোটাৰৰ নাম নতুনকৈ সন্নিৱিষ্ট হৈছে। বাতৰিটো আমাৰ অসম, অসমীয়া খবৰ কাকতকে ধৰি অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

মন্ত্ৰীসভাৰ বৈঠকত কালি বসুন্ধৰাৰ অধীনত কামৰূপ মহানগৰ জিলাৰ ৯০০ পৰিয়াললৈ গৃহ নিৰ্মাণৰ উদ্দেশ্যে চৰকাৰী খাঁচ আৰু চিলিং উদ্বৃত ভূমি নিষ্পত্তিত অনুমোদন জনোৱা হয়। নিয়মীয়া বাৰ্তা কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

ডিজিটেল এৰেষ্টৰ বলি হৈ যোৰহাটৰ এগৰাকী জ্যেষ্ঠ চিকিৎসকে ৪৯ লাখ টকা হেৰুওৱাৰ এটা বাতৰি দৈনিক অগ্ৰদূতকে ধৰি প্ৰায়বোৰ কাকতে প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰি মাজলৈ উভতি যাওঁ–

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, মেঘালয় আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থকাৰ আৰু অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, মিজোৰাম, মণিপুৰ, ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০০

সমাপ্ত